# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-05-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।	ভাৰত আৰু পাকিস্তানৰ মাজত আজি বিয়লি ৫ বজাৰ পৰা কাৰ্যকৰী হোৱাকৈ সংঘৰ্ষ বিৰতি।

২।	ভাৰত-পাকিস্তানৰ সংঘৰ্ষ বিৰতিক আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ আদৰণি।

৩।	ডিব্ৰুগড় বিমানবন্দৰ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত হ'ব বুলি মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন।

৪।	কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা।	**আৰু**

৫।	খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ টেবুল টেনিছ খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্যৰ সোণৰ পদক লাভ।

ooooo

ভাৰত আৰু পাকিস্তানে দুয়ো দেশৰ সেনাবাহিনীৰ মাজত চলি থকা গোলাবৰ্ষণ আৰু আন সামৰিক কাৰ্যকলাপ তৎকালে বন্ধ কৰিবলৈ সন্মত হৈছে। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে ক্ষন্তেক সময় আগতে নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে পাকিস্তানৰ ডাইৰেক্টৰ জেনেৰেল অফ মিলিটাৰী অপাৰেচনে আজি বিয়লিৰ ভাগত ভাৰতৰ ডাইৰেক্টৰ জেনেৰেল অফ মিলিটাৰী অপাৰেচনক টেলিফোন কৰি এই সংঘৰ্ষ বিৰতিৰ বাবে অনুৰোধ জনায়। এই সন্দৰ্ভত দুয়োগৰাকী সামৰিক বিষয়াৰ মাজত হোৱা আলোচনাত এই সিদ্ধান্তত উপনীত হোৱা যায়। সংবাদ প্ৰতিষ্ঠান এ এন আই বাতৰি অনুসৰি পাকিস্তানৰ ডিজিএমঅ গৰাকীয়ে আজি বিয়লি ৩ বাজি ৩৫ মিনিটত ভাৰতৰ ডিজিএমঅলৈ দুয়ো দেশৰ মাজত থকা স্থায়ী হটলাইনৰ যোগেদি এই অনুৰোধ জনায় আৰু আজি সন্ধিয়া ৫ বজাৰ পৰা দুয়ো দেশৰ সেনাবাহিনীৰ মাজত স্থলভাগ, আকাশমাৰ্গ আৰু সামুদ্ৰিক আক্ৰমণ-প্ৰত্যাক্ৰমণ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। দুয়োগৰাকী সামৰিক বিষয়াৰ মাজত অহা ১২ মে'ৰ দুপৰীয়া ১২ বজাত পুনৰ আলোচনা অনুষ্ঠিত হ'ব।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই সিদ্ধান্তক আদৰণি জনাইছে আৰু দুয়ো দেশৰ নেতৃত্বই সাধাৰণ বিচাৰ-বিবেচনা আৰু বুদ্ধিমত্তাৰে এই সিদ্ধান্তত উপনীত হোৱা বুলি অভিহিত কৰি ভাৰত আৰু পাকিস্তানক অভিনন্দন জনাইছে।

ooooo

ভাৰত পাকিস্তানৰ মাজৰ সংঘৰ্ষ বিৰতিৰ পাছতে বিদেশমন্ত্ৰী এছ. জয়শংকৰে এক্স যোগে কয় যে দুয়োখন দেশে বুজাবুজিৰে গুলীয়াগুলি তথা সামৰিক আক্ৰমণ বন্ধ কৰিছে। লগতে বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰতে সদায়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আপোচবিহীন স্থিতি লৈ আহিছে আৰু নিজৰ স্থিতিত অটল থাকিব বুলি প্ৰকাশ কৰে।

পাকিস্তানৰ বৈদেশিক মন্ত্ৰ্যনালয়েও এই সংঘৰ্ষ বিৰতিৰ কথা প্ৰকাশ কৰি এই সিদ্ধান্তৰ আদৰণি জনাইছে।

আমেৰিকাৰ বিদেশমন্ত্ৰী মাৰ্ক ৰুবিঅ'য়ো ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘৰ্ষ বিৰতিৰ এই সিদ্ধান্ত বিবেচকী সিদ্ধান্ত বুলি অভিহিত কৰিছে। তেওঁ ইয়াৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহাবাজ শ্বৰীফক অভিনন্দন জনাইছে। জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলাই এই সিদ্ধান্তক আদৰণি জনাইছে।

ooooo

দেশৰ শেহতীয়া সুৰক্ষাজনিত পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অফ ডিফেন্স ষ্টাফ অনিল চৌহানৰ উপৰিও সশস্ত্ৰ বাহিনী সমূহৰ মুৰববী আৰু জেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

ooooo

ইয়াৰ আগেয়ে সেনাবাহিনীয়ে আজি জম্মুৰ সমীপৰ পাকিস্তানৰ প্ৰহৰা চকী আৰু সন্ত্ৰাসবাদীয়ে টিউব লন্সদ ড্ৰোন নিক্ষেপ কৰা ঘাটিসমূহ ধ্বংস কৰে। আজি পুৱা প্ৰায় ৫ বজাত অমৃতসৰৰ খাছা ছাউনীৰ আকাশমাৰ্গত শত্ৰুপক্ষৰ কেইবাখনো অস্ত্ৰ-শস্ত্ৰ পৰিবাহী ড্ৰোন প্ৰত্যক্ষ কৰি ভাৰতৰ বায়ুসেনা প্ৰতিৰক্ষা গোটে সেই ড্ৰোনসমূহ ধবংস কৰে। ইয়াৰ আগেয়ে সেনাবাহিনীয়ে অমৃতসৰৰ আকাশমাৰ্গত পাকিস্তানৰ কামিকেজ ড্ৰোনও নিষ্ক্ৰিয় কৰে। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে পঞ্জাৱৰ অমৃতসৰৰ ঘনবসতিপূৰ্ণ এলেকালৈ লক্ষ্য কৰি পাকিস্তানে প্ৰেৰণ কৰা এনে কেইবাটাও ড্ৰোন বায়ুসেনাবাহিনীয়ে কেইচেকেণ্ড মানৰ ভিতৰতে নিষ্ক্ৰিয় কৰে।

ভাৰতীয় প্ৰতিৰক্ষা বাহিনীয়ে যোৱা নিশাও প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা আৰু বাৰামূলাৰ পৰা ভূজলৈ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ২৬ টা স্থানত পাকিস্তানে ড্ৰোনেৰ চলোৱা আক্ৰমণ বিফল কৰে। এই ড্ৰোনসমূহে অসামৰিক বিভিন্ন স্থান আৰু সামৰিক ঘাটিক লক্ষ্য কৰি লৈছিল। জম্মু-কাশ্মীৰ, গুজৰাট, পাঞ্জাৱকে ধৰি সীমামুৰীয়া ৰাজ্য সমূহক লক্ষ্য কৰি পাকিস্তানে কৰা আক্ৰমণসমূহৰ প্ৰায় সংখ্যকে বিফল কৰা হৈছে যদিও পাঞ্জাৱৰ ফিৰোজপুৰৰ এটা বাসগৃহ আজি পুৱা ধবংস হোৱাৰ লগতে তিনিজন লোক আহত হয়। এওঁলোকক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইতিমধ্যে সীমান্ত সুৰক্ষা বাহিনীয়ে পাকিস্তানৰ শিয়ালকোটৰ লুনীত সন্ত্ৰাসবাদীৰ ঘাটি এটাও সম্পূৰ্ণ ভাৱে ধবংস কৰিবলৈ সমৰ্থ হৈছে। সেনাবাহিনী সকলো সময়তে সৰ্তক হৈ থকাৰ লগতে কঠোৰভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছে। সীমান্ত অঞ্চলত বসবাস কৰা লোক সকলক ঘৰৰ ভিতৰতে থকাৰ লগতে স্থানীয় প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা মানি চলিবলৈ কোৱা হৈছে। তদুপৰি আতংকিত নহৈ সকলো সময়তে সৰ্তক আৰু সাৱধান হৈ থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। ইপিনে পাকিস্তানে ভাৰতৰ S-400 বায়ুসেনাৰ সুৰক্ষা প্ৰণালী ধবংস কৰা বুলি দেশখনৰ চৰকাৰী টেলিভিছন চেনেলত প্ৰচাৰিত বাতৰি বায়ুসেনাই অস্বীকাৰ কৰিছে।

ooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ দিনা আজি মুখ্যমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰি বিগত ৪টা বছৰত তিনিটা বিষয় অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, এই সময়ছোৱাত ৰাজ্যখনত কোনো অশান্তিকৰ পৰিৱেশৰ সূচনা হোৱা নাই। ৰাজ্যৰ জনগোষ্ঠীয় লোকসকলৰ মাজত সমন্বয় দেখা গৈছে। পাহাৰীয়া জিলা দুখনত শান্তি বিৰাজ কৰাৰ লগতে এই সময়ছোৱাত উদ্যোগ, বাণিজ্যৰ ক্ষেত্ৰতো বিকাশ হৈছে। ৰাজ্যৰ জিডিপি চাৰে ৭ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। একেখন

সংবাদমেলতে মুখ্যমন্ত্রীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰি ডিব্ৰুগড় বিমানবন্দৰ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত হ'ব বুলি প্ৰকাশ কৰে। একেখন সংবাদমেলতে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি কেবিনেট বৈঠকৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰি অসমৰ চাহ উদ্যোগে ২০০ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে ৫ হাজাৰ কোটি টকা অনুমোদন জনোৱা বুলি প্ৰকাশ কৰে। কেবিনেটৰ সিদ্ধান্ত অনুসৰি চৰকাৰী কৰ্মচাৰীৰ বাবে টকা, আপোন ঘৰ, আপোন বাহন আঁচনি দুখনৰ সুবিধা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, সৰ্বশিক্ষা অভিযান, শক্তিবিভাগৰ তিনিওটা প্ৰতিষ্ঠান আৰু লাভজনক নিগম-নিকায়ৰ কৰ্মচাৰীসকলেও লাভ কৰিব। মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনিখনতো কেবিনেটে অনুমোদন জনায়। এই আঁচনিৰ বাবে ১ জুনৰ পৰা আবেদন কৰিব পাৰিব। আঁচনিখনৰ সুবিধা অনুসৰি ২০২৪-২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰিব। অৱশ্যে ব্যক্তিগত শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে এই সুবিধা লাভ নকৰে। বিশ্ববিদ্যালয়ৰ গৱেষক, ছাত্ৰ-ছাত্ৰীসকলকো চৰকাৰে এই আঁচনিৰ অধীনত ২০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়াব। দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক ৪০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোট গণনাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। লক্ষীমপুৰ জিলা প্ৰশাসনে উত্তৰ লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ভোটগণনাৰ বাবে সকলো ব্যৱস্থা লৈছে। জিলাখনৰ ১৫খন জিলা পৰিষদ, ৬০ খন আঞ্চলিক পঞ্চায়ত আৰু ৫৭৪ টা ৱাৰ্ড সদস্য পদৰ বাবে হোৱা নিৰ্বাচনৰ ভোট গণনা কাইলৈ ১৫ টা গণনা কক্ষত কৰা হ'ব। ঢকুৱাখনা সমজিলা কাৰ্যালয় চৌহদতো ভোটগণনাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে। কাছাৰ জিলাৰ শিলচৰৰ ৰামনগৰ আই এছ বি টি আৰু আই এছ টি টিত ভোটগণনা অনুস্থিত হ'ব। জিলা প্ৰশাসনৰ সূত্ৰ অনুসৰি ২১ টা কক্ষত গণনা অনুস্থিত হ'ব। হোজাই জিলা প্ৰশাসনে কাইলৈ জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটগণনাৰ বাবে সকলো ব্যৱস্থা লৈছে। জিলা আয়ুক্ত বিদ্যুৎবিকাশ ভাগৱতীয়ে গণনা প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৰ সবিশেষ বুজ লৈছে। এই অনুসৰি কাইলৈ পুৱা ৭ বজাত ষ্ট্ৰং ৰুম খোলা হ'ব আৰু ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। গণনা কাৰ্যত প্ৰায় দুহেজাৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব। শ্ৰীভূমি জিলাৰ পাঠাৰকান্দি সমজিলাতো ভোটগণনাৰ বাবে প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। তিনিচুকীয়া জিলা সদৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত কাইলৈ ভোটগণনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ প্ৰতিটো জিলাত পৰিষদ সমষ্টিৰ বাবে একোটাকৈ গণনা কক্ষ স্থাপন কৰা হৈছে। কামৰূপ মহানগৰ জিলাত কাইলৈ ভোটগণনা অনুস্থিত হ'ব। গোৱালপাৰা জিলাতো ভোটগণনাৰ সকলো ব্যৱস্থা লোৱা হৈছে। কামৰূপ জিলাত এহেজাৰ চাৰিশ পঞ্চাশ গৰাকী বিষয়াই ভোটগণনা কাৰ্য পৰিচালনা কৰিব। দক্ষিণশালমৰা মানকাছাৰ জিলাত কাইলৈ ভোটগণনাৰ বাবে আজি অনুশীলন অনুষ্ঠিত হয়। জিলাখনত ৭টা ভোটগণনা কেন্দ্ৰত ভোটগণনা কৰা হব।

০০০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ পৰা সম্পূৰ্ণ স্বাভাৱিক ৰূপে কাম-কাজ চলি আছে। বিমানবন্দৰৰ জনসম্পৰ্কৰক্ষী বিভাগে আকাশবাণীলৈ পঠোৱা এটা বিবৃতিত কয়, যে সাম্প্ৰতিক পৰিস্থিতিত বৰ্ধিত নিৰাপত্তাজনিত ব্যৱস্থাৰ বাবে যাত্ৰীসকলে বিমানবন্দৰত পূৰ্বতকৈ অধিক সময় দিবলগীয়া হোৱা হেতুকে তেওঁলোকে যাত্ৰাৰ পৰিকল্পনা কৰোতে এই দিশত মন দিব লাগে। বিমানবন্দৰৰ কৰ্তৃপক্ষই যাত্ৰাৰ পূৰ্বে সংশ্লিষ্ট বিমান পৰিবহণ সংস্থাৰ সৈতে যোগাযোগ কৰি ল'বলৈ যাত্ৰীসকলক আহ্বান

জনাইছে। যিকোনো ধৰণৰ অকৰ্তৃত্বশীল বাতৰিৰ প্ৰতি কৰ্ণপাত নকৰি বিমানবন্দৰৰ সামাজিক মাধ্যমৰ চেনেলসমূহ ফ'ল' কৰিবলৈকো বিবৃতিটোত আহ্বান জনোৱা হৈছে।

০০০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰচাৰ কৰিবলগীয়া বিশেষ দৃষ্টিপাত অনুষ্ঠানৰ প্ৰথম অংশ আজি নিশা ৮ বাজি ২০ মিনিটৰ পৰা ৮ বাজি ৪৫ মিনিটলৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্টেইন দেৱানন্দ গোহাঁই, অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্য আৰু জ্যেষ্ঠ নাগৰিক তথা আকাশবাণীৰ প্ৰাক্তন ঘোষক কীৰ্তিকমল ভূঞাই এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানৰটোৰ পৰৱৰ্তী অংশ কাইলৈ নিশা একে সময়তে শুনিবলৈ পাব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠান সূচীৰ জৰুৰী পৰিৱৰ্তনৰ বাবে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া সংবাদ চলন্তিকা প্ৰচাৰিত নহয়।

০০০০০০০

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২৫ত অসমৰ টেবুল টেনিছ খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্যই সোণৰ পদক লাভ কৰিছে। বিহাৰত চলি থকা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত প্ৰিয়ানুজে চূড়ান্ত খেলত তামিলনাডুৰ পি বি অভিনন্দনক ৪-১ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাখনৰ পুৰুষৰ ডাবলছত অসমৰ দিব্য ৰাজখোৱাৰ সৈতে যুটী বান্ধি ৰূপৰ পদক লাভ কৰে। এই সফলতাৰে টেবুল টেনিছৰ পুৰুষৰ শাখাত অসমৰ দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। অসমৰ টেবুল টেনিছ দলটোৰ প্ৰশিক্ষক আছিল বিমান ভাগৱতী।

০০০০০০০

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ছাফ চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনূৰ্ধৰ খেলত ভাৰতীয় পুৰুষ দলে শ্ৰীলংকাক ৮-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। ডেনি মেইটেই হেট্ৰিক অৰ্জন কৰাৰ লগতে মহম্মদ আৰবাজ উমংগ দদুম আৰু অধিনায়ক ছিংগামায়ুম শ্বামীয়ে এটাকৈ গল দিয়ে। ভাৰতে অহা ১৩ মে'ত নেপালৰ বিৰুদ্ধে খেলিব। ইপিনে বাংলাদেশ আৰু মালদ্বীপৰ মাজত কালি অনুষ্ঠিত আন এখন খেলখন ২-২ গলত ড্ৰ' হয়। ছাফ চেম্পিয়নশ্বিপত ছখন দেশে ভাগ লৈছে। গ্ৰুপ-এত বাংলাদেশ, ভূটান আৰু মালদ্বীপ থকাৰ বিপৰীতে গ্ৰুপ-বিত ভাৰত, শ্ৰীলংকা আৰু নেপাল আছে।

০০০০০০০

সমাপ্ত